# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-07-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ শ্ৰমিক আৰু কৃষক বিৰোধী নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ অসমতো পৰিলক্ষিত হয়। আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাই জনোৱা মতে বন্ধৰ ফলত উত্তৰ গুৱাহাটীৰ ৰন্ধন গেছৰ বটলিং প্লেণ্ট, দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অধীনস্থ তৈল প্ৰতিষ্ঠানসমূহ, নাজিৰাৰ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মুখ্য কাৰ্যালয়কে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাম-কাজ ব্যাহত হৈছে। নুমলীগড় শোধনাগাৰৰ কাম-কাজো আজি বন্ধৰ ফলত প্ৰভাৱিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। গুৱাহাটী মহানগৰীত আজি ব্যক্তিগত খণ্ডৰ চিটী বাছ আৰু দূৰণিবটীয়া বাছৰ চলাচল বন্ধ আছে। অৱশ্যে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনস্থ গ্ৰীণ বাছ সেৱা আৰু সৰু বাণিজ্যিক বাহনসমূহ চলাচল কৰি আছে। বঙাইগাঁৱৰ বি আৰ পি এলৰ কাম-কাজ চলি আছে বুলি আমাৰ সংবাদদাতাই জনাইছে। শিলচৰত আজি শ্ৰমিক সংগঠনৰ প্ৰতিনিধিসকলে বিভিন্ন ঠাইত বন্ধৰ সমৰ্থনত পিকেটিং কৰে।

ধুবুৰী জিলাতো আজি এই বন্ধৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হয়। জিলাখনত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। ধুবুৰী চহৰৰ লগতে গৌৰীপুৰ, গোলকগঞ্জ আৰু বিলাসীপাৰা সমজিলাৰ সৰহ সংখ্যক বিত্তীয় প্ৰতিষ্ঠান, ডাকঘৰ আদি বন্ধ থকা পৰিলক্ষিত হয়। একাংশ ধৰ্মঘটকাৰীয়ে জিলাখনৰ বিভিন্ন পথ অৱৰোধ কৰি বন্ধ সফল কৰাৰ চেষ্টা চলায়। জিলাখনৰ প্ৰায়ভাগ চৰকাৰী কাৰ্যালয়তে কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা হোৱা পৰিলক্ষিত হয়।

বৰপেটা জিলাত আজি বন্ধৰ প্ৰভাৱ দেখা যায়। ভাৰতীয় জীৱন বীমা নিগমৰ বৰপেটা শাখাই আজি ধৰ্মঘট পালন কৰে। ধৰ্মঘটকাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত শ্ৰম ক'ড বাতিল, ভাৰতীয় জীৱন বীমা নিগমৰ প্ৰিমিয়ামত জি এছ টি প্ৰত্যাহাৰকে ধৰি কেইবাটাও দাবী উত্থাপন কৰে। কামৰূপ জিলাতো আজি শতাধিক শ্ৰমিক আৰু কৃষকে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ইয়াৰ ফলত জিলাখনত যান-বাহনৰ চলাচল বন্ধ হোৱাৰ লগতে জনজীৱন ব্যাহত হয়। গুৱাহাটী মহানগৰীত আজি বন্ধৰ আংশিক প্ৰভাৱ পৰিলক্ষিত হয়। ধৰ্মঘটৰ অন্যতম অংশীদাৰ অল ইণ্ডিয়া চেণ্ট্ৰেল কাউন্সিল অব ইউনিয়নছ আৰু ইউনাইটেড ৱৰ্কমেন ইউনিয়ন, ইণ্ডিয়া কাৰ্বন এমপ্লইজ এণ্ড লেবাৰ ইউনিয়নকে ধৰি কেইবাটাও শ্ৰমিক সংগঠনৰ ধৰ্মঘটৰ ফলত গুৱাহাটী শোধনাগাৰ, ইণ্ডিয়া কাৰ্বন প্ৰাইভেট লিমিটেড আৰু আছাম কাৰ্বন প্ৰাইভেট লিমিটেডৰ কাম-কাজ ব্যাহত হয়। গুৱাহাটীৰ খানাপাৰাতো কেইবাটাও শ্ৰমিক সংগঠনে আজি প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০

নাগালেণ্ডত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গোলাঘাট জিলাৰ ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত জিলাখনৰ ৫ খন ৰাজহ  চক্ৰ বানৰ কবলত পৰিছে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ লগতে আন আন বিভাগসমূহে সন্মিলিত প্ৰচেষ্টাৰে তৎপৰতা অৱলম্বন

কৰিছে। জিলাখনৰ বিভিন্ন স্থানত মুঠ ৩৩ টা সাহায্য শিবিৰ স্থাপন কৰি জিলা প্ৰশাসনে বন্যাৰ্তলৈ সহায়ৰ হাত আগবঢ়াইছে। মৰঙি ৰাজহ চক্ৰৰ অধীনৰ মুঠ ২৪ খন গাঁৱৰ প্ৰায় ছহেজাৰ লোক বানৰ কবলত পৰিছে। বোকাখাট ৰাজহ চক্ৰৰ মুঠ ৯ খন গাঁৱৰ ৮ সহস্ৰাধিক লোক বানৰ কবলত পৰাৰ বিপৰীতে খুমতাই ৰাজহ চক্ৰৰ অধীনৰ ৩০ খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। সেইদৰে গোলাঘাট ৰাজহ চক্ৰৰ মুঠ ২৩ খন গাঁৱৰ প্ৰায় দুহেজাৰ লোক এই বানৰ কবলত পৰিছে। আজিৰ দিনটোত বোকাখাট আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ দুগৰাকী লোক বানত মৃত্যু হোৱাৰ খবৰ আহিছে। মৰঙিত বাহৰ পাতি থকা যোৰহাটৰ এন ডি আৰ এফৰ এটা দলে এছ ডি আৰ এফৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বানপীড়িত লোকসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ বাবে জিলা প্ৰশাসনে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

মৰঙিত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে এখন কাঠৰ দলং উটুৱাই নিয়ে। ৩ নম্বৰ ভোলাগুৰি আৰু ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সাৰৰ গাওঁ সংযোগী এই দলংখন উটুৱাই নিয়াত ভোলাগুৰি অঞ্চলত বহু লোক বানত আৱদ্ধ হৈ পৰিছে।

০০০০

ওদালগুৰি জিলা বিশেষ ন্যায়াধীশৰ আদালতে শিশু যৌন নিৰ্যাতনৰ অপৰাধত দোষী সাব্যস্ত লক্ষীৰাম হেমব্ৰম নামৰ এজন অপৰাধীক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমনা বিহে। হৰিশিঙা থানাৰ অন্তৰ্গত শান্তিপুৰ ধিপাবস্তিৰ বাসিন্দা লোকজনে ২০২৩ চনৰ ৩ ফেব্ৰুৱাৰীৰ পুৱা জিলাখনৰ স্বপনগাঁও কাচিতোলাৰ এটি শিশুক যৌন নিৰ্যাতন চলাইছিল। শিশুটিৰ মাতৃৰ এজাহাৰৰ ভিত্তিত ওদালগুৰি আৰক্ষীয়ে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। ওদালগুৰি জিলাৰ বিশেষ ন্যায়াধীশ এন চানাবায়া দেউৰীৰ আদালতে সাক্ষ্য প্ৰমাণৰ ভিত্তিত লোকজনক দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিয়াৰ লগতে ভুক্তভোগী পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ বাবে জিলা আইন সেৱা প্ৰাধিকৰণক নিৰ্দেশ দিয়ে।

০০০০

ধেমাজী জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান গোগামুখ মহাবিদ্যালয়ত আজি অনুষ্ঠিত গ্ৰীষ্মকালীন চিত্ৰকলা প্ৰশিক্ষণ কৰ্মশালা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। এনে কৰ্মশালাসমূহে শিক্ষাৰ্থীসকলক বিদ্যায়তনিক দিশত সহায় কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে। কৰ্মশালাখনত অংশগ্ৰহণ কৰা এজন ছাত্ৰই আঁকা শিক্ষামন্ত্ৰীগৰাকীৰ এখন প্ৰতিচ্ছবি মন্ত্ৰীগৰাকীক অৰ্পন কৰে।

শিক্ষামন্ত্ৰীগৰাকীয়ে ধেমাজীৰ তেলীজানত অনুষ্ঠিত **ইজ অৱ ডুয়িং বিজনেছ**ৰ এখন কৰ্মশালা উদ্বোধন কৰে। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে আয়োজন কৰা এই কৰ্মশালাখন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে স্থানীয় ব্যৱসায়িক প্ৰত্যাহ্বানসমূহৰ দূৰ কৰাত কৰ্মশালাখনে উপকৃত কৰিব।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই পৰ্যালোচনা বৈঠকৰ পাছত মন্ত্ৰী শ্ৰীদাসে জিলা আয়ুক্তৰ চৌহদত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ প্ৰশিক্ষণ কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে অনুষ্ঠিত সভাত মন্ত্ৰীগৰাকীৰ লগতে জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তসহ বিভাগীয় বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

০০০০

চাহ জনজাতি আৰু আদিবাসী কল্যান বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই আজি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে বৈঠকত জিলাখনৰ চৰকাৰী বিভাগসমূহৰ

কাৰ্যক্ষমতা পৰ্যালোচনাৰ লগতে চাহ বাগিছাৰ শ্ৰম বিভাগ আৰু বাগিছা কৰ্তৃপক্ষৰ ভূমিকা সন্দৰ্ভত  কেতবোৰ গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে চাহ বাগিছা এলেকাত বহু লোকৰ আধাৰ কাৰ্ড নথকাৰ কথা উল্লেখ কৰি এই সন্দৰ্ভত শীঘ্ৰে ব্যৱস্থা ল'বলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। শ্ৰমিকৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত বাগিছা কৰ্তৃপক্ষৰ অধিক দায়িত্বশীল হ'বলৈও তেওঁ পৰামৰ্শ দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ